
# সেউজ সাৰ/আৱৰণ শস্য

## সেউজ সাৰ কি?

সেউজ শস্য বা আৱৰণ শস্য হ'ল এনে কিছুমান শস্য, যি বিলাক শস্যই মাটিৰ গঠন আৰু মাটিত থকা পোষক দ্ৰব্যৰ পৰিমাণ বৃদ্ধি কৰে। কৃত্ৰিম ৰাসায়নিক সাৰতকৈ সেউজ সাৰ বোৰ কম খৰচী আৰু জীৱ-জন্তুৰ গোবৰ আদিৰ পৰা পোৱা সাৰৰ উৎসৰ বিকল্প হিচাপেও সেউজ সাৰ বোৰ ব্যৱহাৰ কৰিব পাৰি।

শস্য ক্ৰমত ব্যৱহাৰ কৰা মাহ জাতীয় শস্য যেনে, বীন আদিৰ খেতিৰ দৰে সেউজ সাৰৰ খেতিৰ পদ্ধতি একে নহয়। সেউজ সাৰৰ বাবে ব্যৱহৃত হোৱা উদ্ভিদবোৰ ফুল ফুলাৰ আগতেই কোমল ডাল পাত আদিৰ সৈতে মাটিত হাল বাই বা কোৰেৰে মাটিত মিলাই দিয়া হয়।



এই উদ্ভিদ বোৰৰ সেউজীয়া পাতবোৰেই হৈছে আটাইতকৈ লাগতিয়াল অংশ কাৰণ এই পাতবোৰত মাটিৰ প্ৰয়োজনীয় পোষক দ্ৰব্য বা মৌল বেছিকৈ থকে আৰু নিত্য ব্যৱহৃত মাটি খিনিক নষ্ট হোৱাৰ পৰা ৰক্ষা কৰে।

খাদ্যৰ নাটনি হোৱাৰ ক্ষেত্ৰত মাহ জাতীয় শস্যৰ খেতি কৰি "চিৰা" বা বীন সমূহ চপোৱাৰ পাচত বাকী অংশ মাটিত মিহলাই দিব পাৰি। এনে পূৰঠ গছৰ অৱশিষ্ট অংশক মাটিত পচিবলৈ যথেষ্ঠ সময় লগাৰ উপৰিও পুলি বা অপৈণত গছৰ দৰে বেছি ফলদায়ক নহ'লেও পিছৰ শস্য বিলাকৰ ৰাবে মাটিত প্ৰয়োজনীয় পোষক দ্ৰব্যৰ যোগান ধৰে।

সেউজ সাৰ হিচাপে ব্যৱহাৰ কৰিব পৰা কেইবিধ মান উদ্ভিদৰ উদাহৰণ:

- ধাইনছা (dhaincha)
- মেদেলুৱা (sesbania)
- চানহেম্প (sunnhemp/crotolaria)

## সেউজ সাৰ ব্যৱহাৰৰ সুবিধা সমূহ

সেউজ সাৰ ব্যৱহাৰ কৰি শস্যৰ উৎপাদন কম খৰচতে বৃদ্ধি কৰিব পাৰি আৰু কম সময়তে আৰু কম কষ্টতে কৰিব পাৰি। যি বোৰ অঞ্চলত জীৱ-জন্তুৰ গোবৰ আদি যথেষ্ট পৰিমানত পোৱা নাযায় আৰু যি বোৰ ঠাইত প্ৰাকৃতিক সাৰ পোৱা নাযায় সেই বোৰ ঠাইত এনে সেউজ সাৰৰ গুৰুত্ব বেছি। যদিও সেউজ সাৰ প্ৰয়োগ কৰোতে অতিৰিক্ত শ্ৰমৰ প্ৰয়োজন, সেউজ সাৰৰ যথেষ্ট উপকাৰিতা আছে।

মাটিৰ উৰ্বৰতা বৃদ্ধিকৰণ:

সেউজ সাৰৰ প্ৰয়োগ পোষক দ্ৰব্যৰ পুন:চক্ৰীকৰণৰ লগতে মাটিত জৈৱিক দ্ৰব্যৰ যোগান ধৰে। সেউজ সাৰে মাটিৰ পোষক দ্ৰব্য সমূহ পানীৰ দ্বাৰা উটাই/ধুৱাই নিয়াত বাধা দিয়ে। মাটিৰ পোষক দ্ৰব্যসমূহ সেউজ সাৰ হিচাপে ব্যৱহৃত উদ্ভিদ সমূহে শোষন কৰে আৰু উদ্ভিদ জোপাতে বৈ যায়। যেতিয়া পিছৰ শস্যৰ বাবে পোষক দ্ৰব্যৰ প্ৰয়োজন হয় তেতিয়া সেউজ সাৰ জাতীয় উদ্ভিদবোৰ মাটিত কোৰেৰে মিহলাই দিয়া হয় বা পুতি দিয়া হয়। ইয়াৰ বাহিৰে মালচিং বা ঢাকিবৰ বাবেও ব্যৱহাৰ কৰা হয়।

এইবোৰে শস্যৰ উৎপাদন বৃদ্ধি কৰে। মাহ জাতীয় শস্য আৰু অনান্য বায়ু মণ্ডলীয় নাইট্ৰোজেন সঞ্চয় কৰিব পৰা উদ্ভিদ বোৰ এই ক্ষেত্ৰত বেছি লাভজনক।

মাটিৰ গঠন, আকৃতি আদিৰ উন্নতিকৰণ:
সেউজ সাৰে মাটিৰ গঠন, আকৃতি আদিৰ উন্নতি কৰি মাটিৰ বায়ু আৰু পানী ধৰি ৰাখিব পৰা ক্ষমতা বৃদ্ধি কৰে।

মাটিৰ ক্ষয়ীভৱনত বাধা প্ৰদান:
সেউজ সাৰ জাতীয় উদ্ভিদবোৰে বতাহ আৰু বৰষুণৰ দ্বাৰা হোৱা মাটিৰ ক্ষয়ীভৱনত বাধা প্ৰদান কৰে। উদ্ভিদৰ শিপাবোৰ মাটিৰ বহু তললৈ সোমাই যায় আৰু সঠিক স্থানত মাটি খিনি ধৰি ৰাখে।


অপতৃণ নিয়ন্ত্ৰণ:
সেউজ সাৰে অপতৃণ নিয়ন্ত্ৰক হিচাপে কাম কৰিব পাৰে। খালী মাটি এটুকুৰাত অতি সোনকালেই কম দিনৰ ভিতৰত অপতৃণ বা ঘাঁহ বন ইত্যদিক পোষক দ্ৰব্য, ঠাই আৰু পোহৰৰ বাবে প্ৰতিযোগিতা কৰি গজিবলৈ নিদিয়ে।

## সেউজ সাৰ কেনেকৈ ব্যৱহাৰ কৰিব পাৰি?

খেতিয়ক সকলে বহু সময়ত সেউজ সাৰৰ উপকাৰিতা জানিও ব্যৱহাৰ নকৰে কাৰণ, বহুত কৃষকে নাজানে যে কোন বিধ সেউজ সাৰৰ প্ৰজাতিৰ খেতি কৰিব লাগে বা কেনেকৈ এই সমূহ তেওঁলোকৰ কৃষি পদ্ধতিত ব্যৱহাৰ কৰিব লাগে সেই কথাও বহু কৃষকে নাজানে। গতিকে, কোন প্ৰজাতিৰ সেউজ সাৰ কোন সময়ত আৰু ক'ত কৰিব তাৰ আগতীয়াকৈ এখন পৰিকল্পনা কৃষকে তৈয়াৰ কৰিব লাগে।

**শস্য ক্ৰমত সেউজ সাৰ:**
জৈৱিক কৃষি পদ্ধতিত সেউজ সাৰ জাতীয় উদ্ভিদ শস্য ক্ৰম সমূহত অৰ্ন্তভূক্ত কৰা কথাটো অতি প্ৰয়োজনীয় কথা হৈ পৰিছে। মাটিৰ উৰ্বৰা শক্তি বৃদ্ধিকৰণত বিশেষকৈ শস্যৰ খেতি কৰাৰ আগতে (যেতিয়া পোষক দ্ৰব্যৰ প্ৰয়োজনীয়তা অটাইতকৈ বেছি) সেউজ সাৰৰ ভূমিকা গুৰুত্বপূৰ্ণ।

- পথাৰত কোনো শস্য নথকা অৱস্থাত গোটেই পথাৰ খন খালী কৰি ৰাখি অপতৃণ ঘাঁহ-বন ইত্যাদি গজিবলৈ সুবিধাদি মাটিৰ পোষক দ্ৰব্য নষ্ট কৰাতকৈ সেউজ সাৰ জাতীয় উদ্ভিদৰ খেতি কৰিব পাৰি
- এবিধ শস্য চপোৱাৰ পিছত আৰু অন্য এবিধ শস্য সিঁচাৰ অগৰ সময়ছোৱা সেউজ সাৰ কৰাৰ বাবে উপযুক্ত সময়।





**মাহ জাতীয় শস্য সেউজ শস্য হিচাপে ব্যৱহাৰ কৰাৰ এটা উদাহৰণ**

সেউজ সাৰ সিঁচাৰ সময় অতি গুৰুত্ব পূৰ্ণ। সেউজ সাৰ মূল শস্য সিঁচাৰ থিক আগে আগে মাটিত মিহলাই পেলোৱাৰ বাবে প্ৰস্তুত হৈ থাকিব লাগে। ইয়াৰ ওপৰিও সেউজ শস্যবোৰ মাটিত মিহলাই দিয়া আৰু দ্বিতীয় শস্য সিঁচাৰ মাজৰ সময়ৰ ব্যৱধান বেছি হ'ব নালাগে। অন্যথা পোষক দ্ৰব্য সমূহ শস্যই গ্ৰহ্ণ কৰাৰ আগতেই মাটিৰ পৰা তললৈ সোমাই যায়।

**মূল শস্যৰ লগত সেউজ সাৰৰ খেতি:**
এই পদ্ধতিত মূল শস্যৰ শাৰীৰ মাজে মাজে সেউজ সাৰৰ বাবে ব্যৱহৃত উদ্ভিদৰ খেতি কৰা হয়। এই উদ্ভিদ বোৰ মূল শস্যৰ লগত একে সময়তে বা মূল শস্যৰ গজালি ওলোৱাৰ পাছত সিঁচা হয়। দ্বিতীয় পদ্ধতিত সেউজ সাৰ আৰু মূল শস্যৰ মাজত পোষক দ্ৰব্যৰ বাবে প্ৰতিযোগিতাৰ হাৰ কমোৱাত সহায় কৰে।

উদাহৰণ স্বৰূপে, ধৰা হ'ল মূল শস্য হিচাপে গোমধান কৰা হৈছে। য'ত সেউজ সাৰৰ শস্যৰ গুটি কম দিনীয়া গোমধানৰ খেতিত সিঁচিব পাৰি। গোমধানৰ দ্বিতীয় নিৰনিৰ পাছত পথাৰত সেউজ সাৰ জাতীয় শস্যৰ বীজ ছটিয়াব পাৰি। এইদৰে গোমধান চপাই শেষ হোৱা মানে, সেউজ সাৰ জাতীয় উদ্ভিদৰ বৃদ্ধি যথেষ্ট হৈ পৰে আৰু বৃদ্ধিৰ হাৰ বাঢ়ে। এই পদ্ধতিত মাটি প্ৰস্তুত কৰণ আৰু সেউজ সাৰৰ বীজ ছটিয়াবৰ বাবে কোনো অতিৰিক্ত সময় খৰচ নহয়।



মাকৈৰ মাজে মাজে সেউজ শস্য (উদাহৰণ স্বৰূপে, বীন) সিঁচিব পাৰি

## দীৰ্ঘদিনীয়া সেউজ সাৰ

এই প্ৰজাতিৰ ব্যৱহাৰৰ সুবিধা সমূহ হ'ল:

- দীৰ্ঘদিনীয়া সেউজ সাৰে অনুৰ্বৰ মাটিৰ উৰ্বৰতা ঘূৰাই আনে। বহু দিনৰ বাবে ব্যৱহাৰ কৰাৰ বাবে মাটিৰ উৰ্বৰতাৰ লগতে অনুৰ্বৰ মাটিৰ গঠন আৰু পানী ধৰি ৰাখিব পৰা ক্ষমতা বৃদ্ধি কৰে।
- যি মাটিত বহুবৰ্ষীয় অপতৃণ থাকে আৰু সেই বোৰ নিয়ন্ত্ৰণ কৰিবৰ বাবে দীৰ্ঘ দিনীয়া সেউজ শস্য লগাব পাৰি।
- কেইবা মাহলৈ খেতি বাতি নকৰাকৈ পেলাই থোৱা মাটিত দীৰ্ঘদিনীয়া সেউজ সাৰৰ খেতি কৰিব পাৰি। এবিধ শস্য চপোৱাৰ লগে লগেই সেউজ সাৰৰ জোপোহা জাতীয় শস্যবিধ সিঁচিব লাগে। এনে কৰিলে মাটিৰ উৰ্বৰতা খুউব সোনকালে ঘূৰি অহাৰ লগতে বহু দিনলৈ মাটি এনেয়ে পেলাই থোৱাৰ সময় কমি আহে আৰু পিছৰ শস্য সিঁচিব পাৰি
- দীৰ্ঘদিনীয়া সেউজ সাৰৰ পৰা সেউজীয়া কোমল পাত পোৱা যায় যি বোৰ শস্য পথাৰত প্ৰয়োগ কৰিব পাৰি। আলফা আলফা (*Medicago sativa*) নামৰ শস্যৰ সেউজীয়া ডাল পাত আদি মাটিত কোৰেৰে মিহলাই প্ৰয়োগৰ বাবে, পচন সাৰৰ উৎপাদনৰ বাবে, গৰু ম'হ, ছাগলী আদিক খুওৱাৰ বাবে আৰু মালচিংৰ বাবেও ব্যৱহাৰ কৰিব পাৰি।

মালচিংৰ বাবে সেউজ সাৰৰ ব্যৱহাৰ:

- মালচিং পদ্ধতিত ঘাঁহ বন গজাত বাধা দিয়ে
- মালচিং পদ্ধতিত মাটিৰ ক্ষয়ী ভৱনত বাধা পৰে
- মালচিং পদ্ধতিয়ে পানীৰ বাষ্পীভৱনত বাধা দি মাটিৰ জীপ ধৰি ৰখাত সহায় কৰে

## কৃষি বনানিকৰণত সেউজ সাৰৰ ব্যৱহাৰ

**শস্য ক্ষেত্ৰ, পশু-পক্ষীৰ লগতে গছ গছনি আৰু গুল্ম ৰোপন কৰা কাৰ্য্য সমূহ কৃষি বনানি কৰণৰ ভিতৰতে অৰ্ন্তভুক্ত। এই গছ বোৰ বা গুল্মবোৰে দীৰ্ঘ দিনীয়া সেউজ সাৰৰ দৰে কাম কৰে আৰু এইবোৰৰ পাত বোৰ সেউজ সাৰ হিচাপে মাটিত খান্দি মিহলাই দিয়াৰ বাবে বা মালচিং ৰ বাবে ব্যৱহাৰ কৰিব পাৰি।**

**কৃষি বনানি কৰণৰ বাবে ব্যৱহৃত কিছুমান গছত বাঢ়িব ধৰা কালছোৱাত যথেষ্ট সংখ্যক পাত উৎপন্ন হয় আৰু এইবোৰ মাটিত মিহলাই দিব পাৰি। এনে পদ্ধতিয়ে মূল শস্যৰ লগত হোৱা প্ৰতিযোগিতা হ্ৰাস কৰে। মালচিং ৰ বাবেও এই সমূহ ব্যৱহাৰ কৰিব পাৰি। সাধাৰণতে এই বিলাক মাটিৰ ওপৰি ভাগত, শস্যৰ শাৰীৰ মাজত বা শস্য ৰোপন কৰাৰ আগতে প্ৰয়োগ কৰা হয়।**

**ওপৰত উল্লেখ কৰাৰ দৰে মাটিৰ গুণাগুণ উন্নত কৰাৰ ওপৰিও এই গছ সমূহ আৰু গুল্মবোৰে আমাক খাদ্য, খৰি, জীৱ-জন্তুৰ দানা আদি যোগান ধৰে আৰু ক্ষয়ীভৱন ৰোধ কৰাত সহায় কৰে। ইয়াৰ ওপৰিও গছ বা গুল্ম ৰোপন কৰাৰ আন আন সুবিধাও আছে।**

## গাঁত খান্দি বা কোৰেৰে মাটিত মিহলাই সেউজ সাৰ প্ৰয়োগ কৰা পদ্ধতি:

মূল শস্য সিঁচাৰ অগত সেউজ সাৰ মাটিত পুতিব লাগে। গাঁতত থকা অৱস্থাত সেউজ সাৰবোৰৰ পচন ঘটি নিহিত হৈ থকা পোষক দ্ৰব্য মাটিলৈ ওলাই যায়।

- মূল শস্য সিঁচাৰ দুসপ্তাহ আগতে সেউজ সাৰ মাটিত প্ৰয়োগ কৰিব লাগে। কাৰণ দুসপ্তাহৰ ভিতৰত সেউজ শস্যৰ সম্পূৰ্ণ পচন ঘটিব আৰু নিহিত হৈ থকা পোষক দ্ৰব্যই মূল শস্যৰ শ্ৰীবৃদ্ধি আৰু উৎপাদনত সহায় কৰিব।

- সেউজ সাৰৰ প্ৰয়োগৰ পাছত হালবোৱা অনুচিত অন্যথাই সেউজ সাৰ মাটিৰ বহু তললৈ সোমাই পৰিব য'ৰ পৰা উদ্ভিদৰ শিপাই পোষক দ্ৰব্য শোষন কৰিব নোৱাৰিব। সেয়েহে, সেউজ সাৰ সদায় মাটিৰ ওপৰৰ তৰপৰ সৈতেহে মিহলোৱা উচিত।

- সেউজ সাৰ মাটিত প্ৰয়োগ কৰাৰ আগতে টুকুৰা টুকুৰ কৈ কাটি ল'ব লাগে। এনে কৰিলে ডাল বা অনান্য অংশ বোৰ পুনৰ গজি উঠিব নোৱাৰে।

- সেউজ সাৰ বাবে ব্যৱহৃত অংশ বোৰ টান হ'লে হাল কোৰেৰে টুকুৰাবোৰ মাটিৰ সৈতে মিহলাব লাগে। এইদৰে কেইদিন মান থোৱাৰ পাছত আকৌ এবাৰ মাটিৰ সৈতে কোৰেৰে মিহলালে ভাল ফল পোৱা যায়।



কোমল হৈ থকা সেউজ সাৰবোৰ বয়সীয়াল টান সেউজ সাৰ বোৰতকৈ মাটিত পুতিবলৈ সহজ। সৰ্ব সাধাৰণতে মূল শস্য সিঁচাৰ সময় হয় মানে সেউজ সাৰৰ পচন ঘটি মাটি ডবা পোষক দ্ৰব্যৰে প্ৰস্তুত হৈ থাকে। বেছি সময়ৰ প্ৰয়োজন আৰু কষ্ট বেছি হ'লেও দীৰ্ঘদিন খালী থকা অৱস্থাত এবিধ দীৰ্ঘদিনীয়া সেউজ সাৰৰ খেতি কৰাতকৈ কমদিনীয়া সেউজ সাৰৰ দুটা খেতি কৰাটো লাভজনক।

বেছি ভাগ সেউজ সাৰৰ প্ৰজাতিৰ বাবে ফুল ফুলাৰ সময়ছোৱা উপযুক্ত সময়।

বেছি বয়সীয়া আৰু টান কাণ্ড যুক্ত গছ বোৰ মাটিত প্ৰয়োগৰ বাবে কষ্টকৰ আৰু মাটিত বসবাস কৰা অনুজীৱই এইবোৰৰ পচন ঘটাবলৈ বহু সময়ৰ প্ৰয়োজন হয়। যদি এনে গছবোৰ এই অৱস্থাত উপনীত হয় তেন্তে বিভিন্ন অংশবোৰ টুকুৰা টুকুৰকৈ কাটি পচন সাৰ প্ৰস্তুতৰ বাবে ব্যৱহাৰ কৰিব লাগে।

## কোনবিধ উদ্ভিদ সেউজ সাৰৰ বাবে ব্যৱহাৰ কৰিব?

**সেউজ সাৰৰ উদ্ভিদৰ বাচনিৰ গুৰুত্বপূৰ্ণ দিশ:**

- সেউজ সাৰৰ বাবে ব্যৱহৃত উদ্ভিদবোৰ স্থানীয় জলবায়ু, মাটি আদিত খাপ খাব লাগিব। তেতিয়াহে, উদ্ভিদজোপা সুস্থ আৰু সবল হয়। ফলত বেমাৰ আৰু কীট পতংগৰ আক্ৰমণ কম হ'ব।
- উদ্ভিদ জোপাৰ বৃদ্ধি হাৰ বেছি হ'ব লাগিব। সেউজীয়া অংশৰ ব্যৱহাৰ কৰিলে অধিক সুফল পোৱা যায়। কাৰণ, উদ্ভিদৰ সেউজীয়া অংশতহে বেছিকৈ পোষক দ্ৰব্য নিহিত হৈ থাকে।
- মূল শস্যৰ সৈতে একে গোত্ৰৰ অৰ্ন্তগত উদ্ভিদবোৰে কীট-পতংগ আৰু বেমাৰৰ আক্ৰমণৰ হাৰ বৃদ্ধি কৰে।
- সহজতে পোৱা আৰু কম খৰচী বীজৰ ব্যৱহাৰ কৰিব।
- মাটি খালী হৈ থকাৰ সময় সীমাৰ ওপৰত কোনবিধ উদ্ভিদক সেউজ সাৰ হিচাপে ব্যৱহাৰ কৰিব সেয়া নিৰ্ভৰশীল।
- নাইট্ৰোজেন সঞ্চয় কৰিব পৰা মাহ জাতীয় শস্যবোৰক সেউজ সাৰ হিচাপে ব্যৱহাৰ কৰিলে সুবিধা বহুত। এই শস্যবোৰৰ শিপাত বহুতো টেমুনা থাকে । এই টেমুনাবোৰ অসংখ্য বেক্টেৰীয়াৰে ভৰি থাকে। বেক্টেৰীয়াবোৰ বায়ুমণ্ডলীয় নাইট্ৰোজেন আহৰণ কৰি শিপাত সঞ্চয় কৰি ৰাখে। ইয়াৰ বাদেও মাহজাতীয় শস্যৰ অনান্য অংশ বোৰ কাটি মাটিত প্ৰয়োগ কৰিলে অৰ্ন্তনিহিত নাইট্ৰোজেন আৰু অনান্য পোষক দ্ৰব্য মূল শস্যৰ বাবে ব্যৱহাৰ যোগ্য হৈ পৰে।

মাহ জাতীয় শস্যই তেতিয়াহে নাইট্ৰোজেন বায়ুৰ পৰা শিপাত ধৰি ৰাখিব পাৰে যেতিয়া প্ৰয়োজনীয় বেক্টেৰীয়া যেনে, ৰাইজোবিয়াম মাটিত থাকে। এই কথা খিনি বেছিকৈ প্ৰযোজ্য হয় যদি গছ বোৰ মাহজাতীয় শস্য নহয়। আজিকালি বজাৰত এই বেক্টেৰীয়া বোৰ কিনিবলৈ পোৱা যায় আৰু এই বোৰৰ খৰচ বেছি। যদিও এনে বেক্টেৰীয়া বোৰ কিনিও প্ৰয়োগ কৰাৰ থল আছে তথাপিও কিছু ক্ষেত্ৰত মাহ জাতীয় শস্যৰ পৰিবৰ্তে আন গছ বোৰ ব্যৱহাৰ কৰিলেহে লাভ আছে। এনে গছ বোৰে বহুত জৈৱিক পদাৰ্থ উংপন্ন কৰিব পাৰে আৰু শিপাও শক্তিশালী হয়।গতিকে এই গছবোৰে ভালদৰে জীয়াই থাকিব পাৰে আৰু সোনকালে বাঢ়ে। ইয়াৰ ওপৰিও এনে গছবোৰে  কম সাৰুৱা মাটি, প্ৰতিকূল বতৰতো বহু ভালদৰে জীয়াই থকাৰ ক্ষমতা আছে।

**সেউজ সাৰ সম্বন্ধীয় অন্য কেতবোৰ লাগতীয়াল দিশ:**

**বহুতো সময়ত অন্য ঠাইৰ পৰা অনি খেতি কৰা সেউজ সাৰৰ বীজৰ অংকুৰণৰ অলপ দিনৰ পাছতেই লহপহকৈ বাঢ়ি আহি জোপোহা হৈ পৰে। এই শস্য বোৰ অনান্য শস্যৰ লগতো গজি উঠে আৰু নতুন নতুন অপ্রয়োজনীয় ঠাইত আমাৰ অজানিতে গজি উঠে। সেইবাবে সেউজ সাৰৰ নতুন জাতৰ ব্যৱহাৰৰ সময়ত সাৱধানতা অৱলম্বন কৰা উচিত। নতুনকৈ কৰিব লগীয়া প্ৰজাতিৰ সেউজ সাৰৰ খেতি প্ৰথমে সৰু এটুকুৰা ঠাইত কৰিব লাগে যাতে ই অপতৃণৰ ৰূপ নাপায়। সেয়েহে তলৰ গুৰুত্ব পূৰ্ণ কথা বোৰত বাধা প্ৰদান কৰা উচিত।**

- পাতল বীজ বতাহৰ দ্বাৰা সিঁচৰিত হয়।
- সেউজ সাৰৰ নতুন প্ৰজাতিৰ খেতি কৰা।
- গা-গছৰ পৰা ওলোৱা দীঘল ডাল বোৰ বিশেষকৈ যিবোৰে মাটি ঢাকি ৰাখে।

**উল্লেখিত দিশবোৰত কমেও দুবছৰৰ বাবে সাম্ভাব্য অনুযায়ী বিশেষ গুৰুত্ব আৰোপ কৰা উচিত। অবাঞ্চনীয় স্থানত আৰু বহুবৰ্ষীয় সেউজ সাৰৰ খেতি এক বৰ্ষীয় সেউজ সাৰ হিচাপে খেতি কৰা অনুচিত কাৰণ, কম দিনীয়া বহুবৰ্ষীয় গছ বোৰে এইবোৰৰ বৃদ্ধিত বাধা দিয়ে।**




এই পুস্তিকা খনৰ অনুবাদ, সম্পাদনা আৰু প্ৰকাশন

**ফাৰটাইল গ্ৰাউণ্ড:**
ইষ্ট/উৱেষ্ট চাচটেইনেবিলিটি নেটওৱৰ্ক,
ভেনকভাৰ আইলেণ্ড, বিট্ৰিচ কলম্বিয়া, কানাডা
fertile_ground2003@yahoo.com

**আৰু**

**হৃদয়ংগম,**
মাৰ্ঘেৰিটা চাচটেইনেবল এগ্ৰিকালচাৰেল ফৰাম,
মাৰ্ঘেৰিটা, অসম, ভাৰত
hridayangam@yahoo.com

ৰ এক যুটীয়া প্ৰকল্পৰ অধীনত সম্পন্ন হৈছে

তলত উল্লেখিত অনুস্থান সমূহৰ সহায়ৰ বাবে ফাৰটাইল গ্ৰাউণ্ড আৰু হৃদয়ংগমৰ তৰফৰ পৰা ধন্যবাদ জনোৱা হ'ল
কানাডা ইণ্ডিয়া ভিলেজ এইড, ভেনকভাৰ, বি.চি. কানাডা
ওৱৰ্ল্ড কমিউনিটি ডেভেলপমেণ্ট এডুকেশ্যন চচাইটি, কৰ্টনি, বি.চি. কানাডা
বি.চি. এছছিয়েছন অব প্ৰফেছনেল এগ্ৰ'লজিষ্ট, কানাডা
"শব্দলিপি" চফটৱেৰৰ বাবে টি. আই. ট্ৰেড, গোপীনাথ বৰদলৈ পথ, গুৱাহাটী, অসম

The original English version of this material was published by International Programme, HDRA, the organic organisation.
We are grateful for their permission to translate this material into Assamese.
Many more useful resource materials are available on their website: **www.hdra.org.uk**
Mailing address: HDRA, the organic organisation, Ryton Organic Gardens Coventry, CV8 3LG, U.K.

**প্ৰথম সম্পাদনা - এপ্ৰিল, ২০০৪**